# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব। এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ, অধ্যক্ষ নিৰ্বাচন, ৰাষ্ট্ৰপতিৰ ভাষণ আদিৰ উপৰি আন কেতবোৰ বিষয় আলোচনা কৰা হ'ব। আনহাতে ৰাজ্যসভাৰ ২৬৪ সংখ্যক অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব আৰু ৩ জুলাইত অন্ত পৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে দেশৰ জনসাধাৰণে তেওঁলোকৰ নেতা নিৰ্বাচন কৰিলে আৰু এতিয়া দেশৰ সেৱা কৰাটোৰে হৈছে নেতাসকলৰ কৰ্তব্য। তেওঁ লগতে ১৪০ কোটি ভাৰতীয়ৰ আকাংক্ষা পূৰ্ণ কৰাৰ বাবে আলোচনা, সমালোচনা তথা বিতৰ্ক কৰাৰ বাবে সংসদ উপযুক্ত মঞ্চ বুলি মন্তব্য কৰে।

০০০০০০০০

নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰি নৱনিযুক্ত মন্ত্ৰীগৰাকীয়ে তেওঁক পুনৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। একে সময়তে তেওঁ বিগত ১০টা বছৰৰ প্ৰধানমন্ত্ৰী মোদীৰ শক্তিশালী নেতৃত্ব তথা উন্নয়নমুখী প্ৰশাসনৰ বিষয়ে উল্লেখ কৰি কয় যে, প্ৰধানমন্ত্ৰীৰ এনে নেতৃত্বৰ বাবেই দেশখনে ভিন ভিন খণ্ডত সংস্কাৰমুখী পৰিৱৰ্তনৰ পথ দেখিবলৈ পোৱাৰ লগতে মজবুত অৰ্থনৈতিক শক্তি হিচাপে মূৰ দাঙি উঠিবলৈ সমৰ্থ হৈছে।

বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ অন্তৰ্গত ভিন ভিন বিভাগৰ সচিবসকলে বিভিন্ন আঁচনি সম্পৰ্কীয় বিষয়সমূহৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰোৱাৰ পাছত তেওঁ কয় যে, দেশৰ নাগৰিকসকলৰ জীৱন-ধাৰণৰ মান সহজ হৈ উঠাটো নিশ্চিত কৰাৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ২০১৪ চনত আৰম্ভ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ অব্যাহত থাকিব বুলি উল্লেখ কৰি তেওঁ কয় যে, ইয়াৰ জৰিয়তে অৰ্থনীতিৰ বিকাশ আৰু সুস্থিৰতা অধিক বৃদ্ধি পাব।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰীগাডকাৰীয়ে পুনৰবাৰ তেওঁক পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত ক্ষিপ্ৰতাৰে ভাৰত বিশ্বমানৰ আধুনিক আন্তঃগাঁথনিৰে পৰিপূৰ্ণ হৈ উঠিব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অজয় তাম্তা আৰু হৰ্ষ মালহোট্ৰাইও আজি তেওঁলোকৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

০০০০০০০০

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা অতুল বৰাই আজি বিভাগৰ বিভিন্ন কাম-কাজ তথা শেহতীয়া অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই উদ্দেশ্যে মন্ত্ৰী শ্ৰীবৰাই জনতা ভৱনত আজি অনুষ্ঠিত এখন বৈঠকত বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মিলিত হয়। বৈঠকত তেওঁ সীমান্ত অঞ্চলত অব্যাহত ৰখা উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। আন্তঃৰাজ্যিক সীমা বিবাদ সমাধানৰ বাবে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে ৰাজ্য চৰকাৰৰ আলোচনাৰ শেহতীয়া স্থিতি সন্দৰ্ভতো তেওঁ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত আলোচনা কৰে। এই বৈঠকত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠী, অতিৰিক্ত সচিব কুলশ্ৰী নাথ, সঞ্চালিকা শুভলক্ষ্মী ডেকা প্ৰমুখ্যে অন্যান্য বিভাগৰ বিষয়াসকলো উপস্থিত থাকে।

০০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা সোমবাৰে আৰম্ভ হোৱা বাঁহ কয়লা প্ৰস্তুতকৰণ সম্পৰ্কীয় কৌশল বিকাশ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। প্ৰতিষ্ঠানটোৰ সঞ্চালক ড° নীতিন কুলকৰ্ণীয়ে প্ৰশিক্ষণ শুভাৰম্ভ কৰি সকলো প্ৰশিক্ষাৰ্থীকে বাঁহ কয়লা প্ৰস্তুতকৰণৰ কৌশল আয়ত্ত কৰি স্বাৱলম্বিতা অৰ্জনৰ বাবে আহ্বান জনায়। এই প্ৰশিক্ষণত বাঁহ কয়লাৰ বিভিন্ন প্ৰয়োগ সম্পৰ্কে ব্যাখ্যা কৰা হয়।

০০০০০০০

শিশু শ্ৰমৰ বিৰুদ্ধে ব্যাপক সজাগতা সৃষ্টিৰ বাবে আজি বিশ্বজুৰি শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কৈছে যে অসম চৰকাৰ শিশু সুৰক্ষাৰ দিশত সম্পূৰ্ণৰূপে দায়বদ্ধ। তেওঁ লগতে এই দিনটোত ৰাজ্যৰ যিকোনো ঠাইতে শিশু শ্ৰমিক বা শিশু নিৰ্যাতনৰ ঘটনা দৃষ্টিগোচৰ হ'লে তাৎক্ষণিকভাৱে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাৰ সংকল্প ল'বলৈ আহ্বান জনায়।

**শিৱসাগৰ** জিলাৰ আয়ুক্ত আদিত্য বিক্ৰম য়াদৱৰ অধ্যক্ষতাত আজি শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্তই শিশু সুৰক্ষা বিষয়ক আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণৰ উদ্দেশ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা শিশু সুৰক্ষা বিষয়াক নিৰ্দেশ দিয়ে। সভাৰ অন্তত বিশ্ব শিশু শ্ৰম বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা স্বাক্ষৰ অভিযানৰ শুভাৰম্ভ কৰা হয়।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা বাক্সা আৰু গোৱালপাৰা জিলাৰ ২৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। সমগ্ৰ শিক্ষা অভিযানৰ অধীনত বিজ্ঞান আৰু গণিত বিষয়ৰ মাধ্যমিক শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে আয়োজন কৰা ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী শিক্ষাৰ্থীসকলৰ শৈক্ষিক মান উন্নত কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে সমগ্ৰ শিক্ষা অভিযানে বিগত দুবছৰত ৪ হাজাৰ ৫৬১ গৰাকী বিজ্ঞান আৰু গণিত বিষয়ৰ মাধ্যমিক শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পাছত ২০২৪-২৫ চনৰ ভিতৰত আৰু ৪ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীক এই দুটা বিষয়ত প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰিছে।

০০০০০০০০

**সমাপ্ত**